# অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান



## লিঙ্গ বৈষম্য বিহীন ভাবে আত্ম সহায়ক গোট ব্যৱস্থাপনা

### প্ৰশিক্ষণ পুথি- ১

# অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান

## লিঙ্গ বৈষম্য বিহীন ভাবে আত্ম সহায়ক গোট ব্যৱস্থাপনা

প্ৰশিক্ষণ পুথি- ১

**প্ৰথম দিন**

| ক্ৰমিক নং | দিন | বিষয় | উপ-শিতান | প্ৰণালীবদ্ধ পদ্ধতি | সময় |
|---|---|---|---|---|---|
| ১ | প্ৰথম | উদ্দেশ্যৰ পাতনি আৰু প্ৰশিক্ষণৰ বিষয়বোৰৰ ভাগ-বতোৰাৰা | পঞ্জীয়ন, প্ৰশিক্ষাৰ্থীক আহিলা প্ৰদান আৰু প্ৰশিক্ষণৰ বিষয়বস্তুবোৰৰ ভাগ-বতোৰাৰা | পাতনি তৰিবলৈ উদ্‌গণিমুলক গীত আৰু খেল | ৪৫ মিনিট |
| ২ | | লিঙ্গ স্পৰ্শকাতৰতা | দৰিদ্ৰতাৰ ওপৰত সম্যক ধাৰণা | বক্তৃতা, আদান-প্ৰদান, সচিত্ৰ প্ৰদৰ্শন | ৪৫ |
| ৩ | | | দৰিদ্ৰতাৰ ভয়াবহতাৰ আৱৰ্তন চক্ৰ | সচিত্ৰ প্ৰদৰ্শন | ৩০ |
| ৪ | | | লিঙ্গৰ বিষয়ে অৱগত হোৱা | গল্প-প্ৰশ্ন ইত্যাদি | ৬০ |
| ৫ | | | লিঙ্গ স্পৰ্শকাতৰতাৰ সামাজিক পটভুমি | প্ৰশ্নোত্তৰ | ৩০ |
| ৬ | | | সমাজ আৰু সামাজিক উন্নয়নত মহিলাৰ ভূমিকা | উদাহৰণৰ ওপৰত অধ্যয়ন | ৩০ |

**১. দৰিদ্ৰতা মানে কি ?**

ঃ দৰিদ্ৰতা মানে হ'ল সামাজিক এক অৱস্থা য'ত এচাম লোকে নিজৰ জীৱনৰ অত্যন্ত আৱশ্যকতাসমূহ পুৰাবলৈয়ো অপাৰগ। এই অক্ষমতাই হ'ল দৰিদ্ৰতা।

যদিহে এজন মানুহৰ উপাৰ্জন বহুত কম; তেখেতৰ জীৱন নিৰ্বাহৰ বাবে থকা আৱশ্যকতাখিনিও যেতিয়া তেখেতে নিজৰ সক্ষমতাৰে পুৰাব নোৱাৰে তেতিয়া তেখেতকে দুখীয়া বুলি কোৱা হয়। বঞ্চনাৰ ফলত ভোক আৰু অনাহাৰে থকাৰ ই এক ইঙ্গিত। মানুহ এজনক দৰিদ্ৰ বুলি তেতিয়াই কোৱা হয় যেতিয়া মানুহজনে জীয়াই থাকিবলৈ -শৰীৰটো বৰ্ত্তাই ৰাখিবলৈ লগা আৱশ্যকতাখিনিও পূৰাব নোৱাৰে। সেই ন্যুনতম আৱশ্যকতাখিনি পুষ্টিকৰ খাদ্যৰ আৱশ্যকতাৰ মাপকাঠিৰে জোখা হয়। উপাৰ্জনৰ বৈষম্যতাই দৰিদ্ৰতাৰ কথাকে সূচায়। অধিক উপাৰ্জন থকা মানুহৰ তুলনাত সাধাৰণতে নিম্ন আয়ৰ মানুহখিনিয়েই দৰিদ্ৰ। ইয়াত সমাজৰ সামৰ্থবিহীন অতি দৰিদ্ৰ মানুহখিনিৰ কথাহে কোৱা হ'ব- আনবোৰক ইয়াত সামৰিব খোজা হোৱা নাই।

**দৰিদ্ৰতাৰ কাৰণ ঃ**

ভাৰতীয় অৰ্থনীতিৰ মতে দৰিদ্ৰতাৰ কাৰকবোৰ হ'ল-

১. জন বিস্ফোৰণৰ উচ্চ হাৰ
২. ভূমিহীন শ্ৰমিক
৩. কম উৎপাদনশীলতা
৪. শস্যৰ উৎপাদন কম হোৱা
৫. নিৰক্ষৰতা।
৬. ৰাজনৈতিক ব্যৱস্থা আৰু দুৰ্নীতি

৭. নিয়োগৰ সীমিত ব্যৱস্থা
৮. উপাৰ্জনৰ বৈষম্যতা
৯. প্ৰব্ৰজন
১০. আঞ্চলিক বৈষম্যতা
১১. কৃষিৰ ওপৰত জনসংখ্যাৰ অত্যাধিক চাপ
১২. মূলধনৰ অভাৱ
১৩. নিয়োজিত হোৱাৰ বাবে আৱশ্যকীয় বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ অভাৱ

**অনুশীলন ঃ** মানুহবোৰ কিয় দুখীয়া সেই সম্পৰ্কে অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ অভিমত আগবঢ়াই তালিকা যুগুতাবলৈ ক'ব লাগে। তেতিয়া ওপৰত উল্লেখ কৰা কাৰকসমূহৰ বাহিৰেও সম্ভাব্য আন কাৰকো ওলাব পাৰে।

**দৰিদ্ৰতাৰ ভয়াবহতাৰ আৱৰ্তন চক্ৰ ঃ**




**২. লিঙ্গৰ বিষয়ে জনা-**

দুটা ভেকুলীৰ সাধু ঃ

বহু দিনৰ আগৰ কথা। গাঁৱৰ দুটা ভেকুলীয়ে পৃথিৱী ভ্ৰমণলৈ যোৱাৰ কথা পাতিলে। পৰিকল্পনা অনুসৰি দিন বাৰ চাই এটা ভাল দিনত ভাৰে-ভেঁটীয়ে দুয়ো ভ্ৰমণলৈ ওলাল। ভ্ৰমণ পথত সিহঁতে বহুবোৰ অভিজ্ঞতা আৰ্জিলে, সিহঁতে বহুত উপভোগ কৰিলে, খেলিলে-উমলিলে, গীত গালে-নাচিলে, জিৰালে। মুঠতে ভবামতে সকলো কৰিলে। বাটত সিহঁতে ভয়াবহ সাপৰ সতেও মুখামুখি হ'ল, ভয়ত বিতত লৈ দৌৰি পলাই নিৰাপদ স্থানত আশ্ৰয় ল'লে। কিছু দিন ভ্ৰমণ কৰাৰ পাছত সিহঁতৰো ভ্ৰমণে আমুৱালে। গতিকে ওলটি অহাৰ কথাই ভাবিলে। সিহঁতে ঘৰ পায়ে সেই ভ্ৰমণটো বৰ আৰাম দায়ক আৰু সুখকৰ আছিল বুলি কৈ তাৰে এটাই ঘৰত কিছু সময় জিৰণি লোৱাৰ কথা ক'লে। আনটোৰ বৰ ভোক লাগিছিল নিশাৰ আহাৰ বন্ধাৰ বাবে সি ৰান্ধনীশালত সোমালগৈ।

প্ৰশিক্ষাৰ্থীৰ বাবে ঃ প্ৰশিক্ষাৰ্থীক সুধিব লাগে কোনটো ভেকুলী মতা আৰু কোনজনী মাইকী। উত্তৰটো দিয়াৰ বাবে তেওঁলোকক দুই মিনিট সময় ভাবিবলৈ দিব লাগে। তেওঁলোকে ভবা মতে জিৰণি লোৱাটো মতা আৰু পাক ঘৰত ৰান্ধিবলৈ সোমোৱাজনী মাইকী বা কোনোবাই কথাবাৰ ওলোটাকৈয়ো ভাবিব বা ক'ব পাৰে।

**৩. সমাজত লিঙ্গভিত্তিক স্থান ঃ**

অনুশীলন ঃ প্ৰশিক্ষকে এলানি শব্দ বা জঁটুৱা ঠাচ আদি কৈ যাব আৰু প্ৰশিক্ষাৰ্থীসকলে সেই শব্দবোৰ পুৰুষ নে মহিলাৰ সতে জড়িত সেয়া ক'ব লাগিব। উত্তৰটো দিওঁতে প্ৰশিক্ষাৰ্থীসকলে কাৰো লগত একো আলোচনা কৰিব নোৱাৰিব। উত্তৰটো যাতে

সকলোৱে নিঃসংকোচে দিব পাৰে তাৰ বাবে সকলোকে আগতীয়াকৈ ইয়াত ভুল শুদ্ধ বুলি কোনো কথা নাই বুলি জনাই থব; মাথো নিজে ভবামতে উত্তৰ দিলেই হ'ল।

তলত দিয়া বক্তব্যখিনি পঢ়কঃ

- কন্দা
- ৰন্ধা
- সন্তান জন্ম দিয়া
- গধুৰ বোজা কঢ়িওৱা
- দাড়ি বা মোচ থকা
- দীঘল চুলি থকা
- চাইকেল চলোৱা
- সন্তানৰ যত্ন লোৱা বা প্ৰতিপাল কৰা
- শিশুক স্তন দুগ্ধ পান কৰোৱা
- কাপোৰ ধোৱা

প্ৰশিক্ষাৰ্থীয়ে সঁহাৰি জনোৱাৰ পিছত কিয় তেওঁলোকে তেনেকৈ ভাবে সেইবিষয়ে প্ৰশিক্ষকে তেওঁলোকক সুধিব। উত্তৰ দিবলৈ প্ৰতিজনেই সুবিধা পাব লাগিব আৰু কিয় তেওঁলোকে এই উত্তৰটো বাচি ললে সেয়া ব্যাখ্যা কৰিব। উত্তৰটো তেওঁলোকে দিয়াৰ আঁৰত আচৰণ বা ব্যৱহাৰ-চৰিত্ৰ, জৈৱিক বা শাৰীৰিক পাৰ্থক্য নে সামাজিক বৈষম্য জড়িত হৈ আছে সেয়া ভালদৰে জানিবলৈ চেষ্টা কৰিব।

তাৰ পাছত প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলৰ আগত ব্যক্ত কৰিব যে এই বক্তব্যখিনিৰ মূলতেই হ'ল এই বিষয়টোৰ অচিলা লৈ সমাজত পুৰুষ আৰু মহিলাৰ স্থান কি সেই বিষটোৰ ওপৰত আলোচনা কৰা আৰু তাৰ পটভূমিত সমাজে পুৰুষৰ তুলনাত মহিলাৰ প্ৰতি কৰা লিঙ্গ বৈষম্যৰ ছবিখন দাঙি ধৰা। তাৰফলত পুৰুষ আৰু মহিলাৰ মাজত থকা অসমতাৰ কাৰণটো বুজাত সহায়ক হ'ব। সেই অসমতাই সমাজত পুৰুষ আৰু মহিলাক সুকীয়া সুকীয়া স্থানত ৰাখিছে।

প্ৰশিক্ষকে তলৰ কথাখিনিৰ ওপৰত গুৰুত্ব সহকাৰে আঙুলিয়াই দিব-

| *শাৰীৰিক-জৈৱিক বৈশিষ্ট্য* | *সামাজিক স্থিতি* |
|---|---|
| জৈৱিকভাবে নিৰ্ণীত | সমাজে গঢ়া |
| সাৰ্বজনীন আৰু সকলো মানৱৰ | সাংস্কৃতিক বিবিধতা |
| অপৰিৱৰ্ত্তনীয় | গতিশীল, সময়ৰ সোঁতত পৰিৱৰ্ত্তনশীল |
| জন্মগত | আয়ত্ব কৰা |

## মহিলাক বান্ধি ৰখা (নাট অভিনয়)

আৱশ্যকীয় আহিলা ঃ অলপ ক'লা ফিটা

১. অংশগ্ৰহণকাৰীসকলৰ মাজৰ পৰা এগৰাকীক অংশ ল'বলৈ মাতি আনিব

২. প্ৰশিক্ষকে সেই মহিলাগৰাকীৰ হাত দুখন বান্ধিব আৰু তাৰ কাৰণ হিচাপে ব্যখ্যা কৰি ক'ব যে আমাৰ সমাজত মহিলাই ভবামতে একো কৰিব নোৱাৰে।

৩. প্ৰশিক্ষকে সেইজনৰ মুখখন বান্ধিব ক'ব যে সমাজত মহিলাই কোনো সিদ্ধান্ত দিব নোৱাৰে।

৪. এতিয়া চকু দুটা বান্ধি ক'ব যে সমাজত মহিলাসকলৰ অভিমত আগবঢ়োৱাৰ অনুমতি নাই। সমাজে

যি দেখে বা যি শুনে তাকে মহিলাই বিশ্বাস কৰি লব লাগিব।

৫. মহিলাগৰাকীৰ ভৰি কেইটা বান্ধি পেলাব কাৰণ মহিলাই ঘৰৰ পৰা বাহিৰ ওলাব নোৱাৰে।

৬. মূৰটোও বান্ধি পেলাব কাৰণ মহিলাই নিজৰ বিবেক বা বিচাৰ বুদ্ধিৰে একো ভাবিব নোৱাৰে।

৭. অৱশেষত কলা ফিটাৰে পেটটো বান্ধি ক'ব যে মহিলাই নিজ ইচ্ছাৰে সন্তনো জন্ম দিব নোৱাৰে।

প্ৰশিক্ষকে অংশগ্ৰহণকাৰীসকলক বুজাই দি ক'ব যে আমাৰ সমাজত মহিলাৰ স্থান সেই বান্ধি ৰখা মহিলা গৰাকীতকৈ একো বেলেগ নহয়। এতিয়া প্ৰশিক্ষকে আন এজনৰ হতুৱাই সেই মহিলাগৰাকীৰ বান্ধবোৰ এটা এটাকৈ খুলাই দিয়াব। সেইগৰাকীক কিয় এতিয়া বন্ধন মুক্ত কৰি দিয়া হ'ল তাৰো কাৰণ দৰ্শাব।

## ৪. সমাজত মহিলাৰ স্থান আৰু সমাজ উন্নয়নত মহিলাই পালন কৰিব পৰা ভূমিকা ঃ



এগৰাকী মহিলাই নিজৰ ঘৰখনত বহুখিনি দায়িত্ব পালন কৰিব পাৰে।

**গতিকে তেনে এগৰাকী মহিলাই সমাজত সিদ্ধান্ত গ্ৰহণ বা পৰিকল্পনাত কিয় অংশ ল'ব নোৱাৰে ?**

**অনুশীলন** ঃ কাহিনীটো অসমৰ এখন গাঁৱত ৰূপায়ণ কৰা এটা প্ৰকল্পৰ ওপৰত যুগুতোৱা হৈছে। এদিন কেইজনমান চৰকাৰী বিষয়া গৰঁলৈ আহি এখন সভা অনুষ্ঠিত কৰিলে। আমাৰ সমাজত প্ৰচলিত সাধাৰণ নিয়ম অনুসৰি সভাত পুৰুষসকলে অংশ ল'লে। তেওঁলোকে গাঁওখনত বিশুদ্ধ পানীৰ পৰ্য্যাপ্ততাৰ ওপৰত আলচ কৰিলে। গাঁওখনত সকলোৱে ব্যৱহাৰ কৰা এটাই কুঁৱা আছিল। তাৰ পানী কুঁৱাৰ বহু তলতহে থাকে আৰু পানীৰ মানদণ্ডও বেয়া। গাঁওখনৰ তিনি কিঃমিঃ আঁতৰত ভাল পানীৰ আন এটা কুঁৱা আছিল যদিও তালৈ অহা-যোৱা কৰা পথটোৰহে অৱস্থা তথৈবচ। সেয়ে সেই সভাতে সিদ্ধান্ত লোৱা হ'ল যে সকলোৱে বিশুদ্ধ পানী পাব পৰাকৈ সেই আঁতৰত থকা কুঁৱাটোলৈ অহা-যোৱা কৰা পথটো ভালকৈ সজাই দিয়া হ'ব। সেইমতে গাঁৱৰ পথটো ভালকৈ সজাই দিয়া হ'ল। এনেকৈয়ে কিছু দিন গ'ল। গাঁৱৰ মানুহে পথটো কেনেদৰে ব্যৱহাৰ কৰিছে তাকে চাবলৈ গাঁৱলৈ

কিছুদিনৰ পাছত বিষয়াৰ দলটো আকৌ আহিল। আহি তেখেতসকল আচৰিত হ'ল। গাঁৱৰ মানুহখিনিয়ে এতিয়াও ওচৰৰ সেই কুঁৱাটোৰ বেয়া পানীকে ব্যৱহাৰ কৰি আছে, তিনি কিঃমিঃ দূৰৰ ভাল পানী থকা কুঁৱাটোলৈ অহা-যোৱা কৰাৰ বাবে ধুনীয়াকৈ সজাই দিয়া পথটোও ব্যৱহাৰ নোহোৱাকৈয়ে এলাগী হৈ পৰি আছে।

এতিয়া প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলৰ লগত কথাটো ভালকৈ আলোচনা কৰিব- গাঁৱত ভাল পানী নথকা সত্বেও মানুহখিনিয়ে তিনি কিঃমিঃ আঁতৰত থকা কুঁৱাটোলৈ অহা-যোৱাৰ বাবে ভাল ৰাস্তা সজাই দিয়াৰ পিছতো ভাল পানী থকা সেই কুঁৱাটোলৈ কিয় নোযোৱাকৈ আছে? প্ৰশিক্ষকে শিক্ষাৰ্থীসকলক বুজাই দিব যে পৰিকল্পনা যুগুতোৱাৰ সময়ত মহিলাসকলক পৰিকল্পনাৰ সৈতে সাঙুৰি নোলোৱাটোৱেই ইয়াৰ মূল কাৰণ। মহিলাসকলেই সাধাৰণতে পানী অনা কামটোৰ দায়িত্ব লয়। ভাল ৰাস্তা হ'লেও সময় ব্যয় কৰি তিনি কিঃমিঃ আঁতৰৰ পৰা পানী ভাৰ বৈ অনা কামটো ইমান সহজ নহয়। সেয়ে গাঁৱৰ মহিলাখিনিয়ে ভাল পানী নহ'লেও সেই পুৰণা কুঁৱাটোৰ পৰাই ঘৰলৈ পানী আনি এতিয়াও ব্যৱহাৰ কৰি আছে। ফলত তেখেতসকলৰ শ্ৰম আৰু সময় ৰাহি হৈছে।

প্ৰশিক্ষকজনে ইয়াৰ ওপৰতো গুৰুত্ব দিব যে পৰিকল্পনা যুগুতাওঁতে লিঙ্গ বৈষম্যবিহীন ভাবে-সমপাতিক ধৰণে হ'ব লাগে। এই প্ৰকল্পটো ৰূপায়ণ কৰাৰ সময়ত সমাজত পুৰুষ আৰু মহিলাৰ স্থান আৰু পুৰষ-মহিলাই পালন কৰা ভুমিকাক অৱমাননা কৰাৰ বাবেই সুন্দৰ প্ৰকল্প এটাৰো এনে দশা হ'ল। সেয়ে সংহতভাবে উন্নয়নৰ দিশত আগুৱাবলৈ হ'লে এনে কামত পুৰুষ-মহিলা দুয়োজনকে জড়িত কৰিবই লাগিব।

## দ্বিতীয় দিন

| ক্রমিক নং | দিন | বিষয় | উপ-শিতান | প্রণালীৰদ্ধ পদ্ধতি | সময় |
|---|---|---|---|---|---|
| ৬ | | আগ দিনাৰ কাৰ্য্যসূচীৰ ওপৰতপুনৰ অৱলোকন | আগ দিনাৰ দৰেই একে অধিৱেশন | বক্তৃতা-আলোচনা | ৩০ মিনিট |
| ৭ | | আত্ম-সহায়ক গোটৰ ওপৰত এক প্ৰাথমিক ধাৰণা | ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান মানে কি, ইয়াৰ বৈশিষ্ট্য, গ্ৰামীণ জীৱিকা অভিযান আৰু স্বৰ্ণ-জয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনাৰ মাজত থকা পাৰ্থক্য | বক্তৃতা, আলোচনা | ৩০ |
| ৮ | দ্বিতীয় | | আত্ম-সহায়ক গোট মানে কি? | বক্তৃতা, আলোচনা | ৪০ |
| ৯ | | | আত্ম-সহায়ক গোট কেনেকৈ গঠন কৰে? | - | ৩০ |
| ১০ | | | আত্ম-সহায়ক গোটৰ আৰশ্যকতা | খেল আৰু নাটক | |
| ১১ | | | আত্ম-সহায়ক গোটৰ পঞ্চসূত্ৰ, ইয়াৰ সাধাৰণ মান, প্ৰক্ৰিয়া, আচাৰ-নীতি আৰু কাৰ্য্যসূচী | সচিত্ৰ প্ৰদৰ্শন, কাহিনী | ৪০ |
| ১২ | | | বহীসমুহৰ প্ৰকাৰ | সচিত্ৰ প্ৰদৰ্শন | ৩০ |

## ১. ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান মানে কি?

স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা (**SGSY**) গ্ৰামীণ দৰিদ্ৰসকলৰ আত্ম-সংস্থাপনৰ এই আঁচনিখনকে পুনৰ গঠন কৰি নতুনকৈ- ৰাষ্ট্ৰীয় গ্ৰামিণ জীৱিকা অভিযান (**NRLM**) নামেৰে নামাঙ্কিত কৰা হৈছে। নতুন এই আঁচনিখনক এক অভিযান হিচাপে লৈ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত নিৰ্দিষ্ট লাভা-লাভ পাব পৰাকৈ ৰূপায়িত কৰা হৈছে।

এই অভিযানত সমাজৰ সকলোবোৰ সামাজিক সমস্যাকে সামৰি লোৱা হৈছে যাতে সমাজৰ দৰিদ্ৰসকলে দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈ এক স্বচ্ছল জীৱন যাপন কৰিব পাৰে। তাৰবাবে সাৰ্বজনীন সামাজিক প্ৰস্তুতিৰে আত্ম-সহায়ক গোট গঠন আৰু গঠিতবোৰক শক্তিশালী কৰা, নেটৱৰ্ক বা উমৈহতীয়া পদ্ধতি সৰলীকৰণ কৰি তোলা, সক্ষমতা বৃদ্ধি, বিত্তীয় সংযোজন, ঋণ লাভৰ সুবিধা প্ৰদান, দক্ষতাৰ বিকাশ আৰু উন্নত প্ৰযুক্তি আৰু ব্যৱসায়িক সামৰ্থৰে জীৱিকা উপাৰ্জনৰ বিভিন্ন পন্থা যাতে অৱলম্বন কৰি সুচল জীৱিকা নিৰ্বাহ কৰিব পাৰে তাৰ ব্যৱস্থাসমুহ কৰি তোলা হৈছে।

দৰিদ্ৰসকলে জীৱিকা নিৰ্বাহৰ বাবে ইতিমধ্যে অৱলম্বন কৰি থকা ব্যৱস্থাসমুহৰ সম্প্ৰসাৰণ, তাৰবাবে আৱশ্যকীয় নিপুণতা আহৰণেৰে বাহিৰত এক বজাৰ লাভ কৰি আত্ম সংস্থাপিত হোৱাৰ লগতে উদ্যমী বা শিল্পোদ্যোগী (ক্ষুদ্ৰ ক্ষুদ্ৰ শিল্পোদ্যোগ) হৈ উঠে - এই তিনিটা মুল স্তম্ভক সক্ষম কৰি তুলিবলৈ আৱশ্যকীয় কামখিনি সম্পাদন কৰা ব্যৱস্থাখিনিয়েই হ'ল ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (**ASRLMS**) হ'ল এক স্বতন্ত্ৰ আৰু স্বায়ত্ব শাসিত প্ৰতিষ্ঠান। অসমৰ সমাজ জীৱনত থকা গ্ৰাম্য দৰিদ্ৰতাৰ বিমোচন ঘটাবলৈ অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত সমিতিৰ পঞ্জীয়ন অধিনিয়ম **XXI- 1860** অনুসৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান গঠন কৰা হৈছে। এই অভিযানে অসমৰ দৰিদ্ৰ-দুখীয়াসকলক সামাজিক আৰু অৰ্থনৈতিকভাবে টনকিয়াল কৰাৰ বাবে ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানে নিৰ্দ্ধাৰিত কৰা আঁচনিসমূহ অসমত ৰূপায়িত কৰে। এই আৰ্হিটো তৈয়াৰ কৰোতে বহুমুখীভাবে অসমৰ দুখীয়া-দৰিদ্ৰসকলৰ জীৱিকা নিৰ্বাহত সহায়ক হোৱা ব্যক্তিগত বা অনাচৰকাৰী ব্যৱসায়িক প্ৰতিষ্ঠান-সংস্থাসমূহত নিয়োজিত হ'ব পৰাৰ লগতে নিজা ববীয়াকৈ সংস্থাপিত হ'ব খোজাসকলে সংস্থাপিত হ'ব পৰাকৈ আৱশ্যকীয় প্ৰশিক্ষণ প্ৰদান কৰাৰো ব্যৱস্থা আছে।

দৰিদ্ৰসকলক সুচলভাবে আত্ম-সংস্থাপন নতুবা নিপুণ হিচাপে মজুৰীভিত্তিক সংস্থাপন লাভৰ সুবিধা প্ৰদানৰ হকে কাম কৰি যোৱাৰ বাবে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান দায়বদ্ধ; যাৰ ফলত— সেই দৰিদ্ৰসকলৰ জীৱন ধাৰণৰ মান বহনক্ষম ব্যৱস্থাৰে উন্নত হোৱাৰ লগতে তৃণমূল পৰ্য্যায়ত দৰিদ্ৰসকলৰ মাজত শক্তিশালী এক প্ৰতিষ্ঠান গঢ়ি তোলাৰ বাবে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে অহৰ্নিশে কাম কৰি যাব।

## ২. স্বৰ্ণ-জয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ নতুন আহিলা

- অৱহেলিত বা বাদ পৰি ৰোৱা দৰিদ্ৰসকলক সাঙুৰি লোৱাৰ এক পূৰ্ণ পদক্ষেপ
- গ্ৰাম স্ব-ৰোজগাৰত কাম অনুসৰি গঠন কৰা গোটৰ তুলনাত ইয়াত সম্পৰ্ক বা সমিল-মিলৰ ওপৰত গুৰুত্ব দি আত্ম-সহায়ক গোট গঠন কৰা হয়।
- সমুহীয়া সমল ব্যক্তিক জড়িত কৰি পদ্ধতিগতভাবে সামাজিক প্ৰস্তুতি, আনুষ্ঠানিক গাঁথনি আৰু সক্ষমতা বৃদ্ধিৰ বাবে প্ৰচেষ্টা চলোৱা।
- জীৱিকা অৰ্জন ব্যৱস্থাক উৎসাহিত কৰিবলৈ সমুহীয়া, সংগ্ৰাহক গোট, সংঘ আদি গঠন কৰা।
- সঞ্জীৱিত হৈ থাকিব পৰাকৈ সমুহীয়া পুঁজি বিনিয়োগ কৰা।
- ঋণ লাভ কৰিব পৰাকৈ পৰিয়াল অনুযায়ী আত্ম-সহায়ক গোটৰ সদস্যসকলে ক্ষুদ্ৰ ঋণ পৰিকল্পনা যুগুতাব লাগে।
- জীৱিকা অৰ্জন, স্বাস্থ্য, নিৰাপত্তা,খাদ্য সুৰক্ষা, শিক্ষা আদিক উৎসাহিত কৰিবলৈ সংঘৰ সদস্যসকলৰ দ্বাৰা আত্ম-সহায়ক গোট আৰু গোটৰ সদস্যসকলক বাৰে বাৰে ঋণ প্ৰদান কৰিব লাগে।

## ৩. আত্ম-সহায়ক গোট মানে কি?

আত্ম-সহায়ক গোট মানে হ'লে এক অনানুষ্ঠানিক, ঘৰুৱাভাবে স্ব-ব্যৱস্থাপিত, ১০-১৫ গৰাকী মহিলাই স্ব-ইচ্ছাই মিতব্যয়ীভাবে জমা-খৰচৰ বাবে পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাৰ স্বাৰ্থত গঠন কৰা এক স্বেচ্ছাসেৱী গোট।

আত্ম-সহায়ক গোটৰ কেইটামান প্ৰধান উপাদান ঃ

- স্ব-নিৰ্দ্ধাৰিত, স্ব-ইচ্ছাই গোটৰ সদস্য আৰু নীতি-নিয়ম ঠিৰাং কৰা।
- সদস্যসকলৰ মাজত সমজাতীয়তা থকা (নিজে নিৰ্দ্ধাৰণ কৰিব পৰা)
- গোটে নিজা ববীয়াকৈ জমা আৰু ঋণৰ নীতিসমূহ নিৰ্দ্ধাৰণ কৰে।
- প্ৰাৰম্ভিক ভাবে নিজৰ সঞ্চয়ৰ পৰা সুচলকৈ খৰচৰ বাবে ঋণ দিয়া।
- সহায়ক সেৱাসমুহৰ ব্যৱস্থাপনাৰ বাবে সমুহীয়া মুলধনৰ ব্যৱহাৰ (যেনে- প্ৰশিক্ষণ, হিচাপৰক্ষণ ইত্যাদি)
- সদস্যসকলৰ বিভিন্ন মুলধনী আৱশ্যকতাৰ জোৰা মাৰিবলৈ ঘুৰ্ণীয়মান পুঁজি আৰু ঋণ বেঙ্কৰ পৰা লাভ কৰা।
- আত্ম-সহায়ক সংঘৰ সদস্য হোৱা।

## ৪. আত্ম-সহায়ক গোট কেনেকৈ গঠন কৰা হয়?

### আত্ম-সহায়ক গোটৰ আৱশ্যকতা ঃ

আত্ম-সহায়ক গোটে সদস্যসকলক সেৱা আগবঢ়োৱাৰ উদ্দেশ্য হ'ল-

- সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে আত্ম সহায়, পাৰস্পৰিক সহযোগিতা আৰু সমূহীয়া কাৰ্য ৰূপায়ণৰ এক সুবিধা প্ৰদান কৰে।
- সঞ্চয়ক উৎসাহিত কৰি নিজা পুঁজি গঢ়ি তোলা।
- সদস্যসকলৰ বিভিন্ন বিত্তীয় আৱশ্যকতাৰ জোৰা মাৰিবলৈ স্থানীয় বিত্তীয় সেৱা প্ৰতিষ্ঠান হিচাপে নিজে গঢ় লোৱা।
- গোটৰ ঋণৰ আৱশ্যকতা পুৰাব পৰাকৈ তৎকালীন জমা পুঁজি থকা।
- কৌশল বা কলা-কুশলতা আৰু আত্মবিশ্বাস বৃদ্ধি কৰা।
- স্থানীয় ভাবে থকা বিভিন্ন প্ৰতিষ্ঠান আৰু সেইসমূহৰ বিভিন্ন আঁচনিৰ বিষয়ে অৱগত হোৱা।
- গাঁও উন্নয়নৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ আৰু ৰূপায়ণ কৰা।
- উপলব্ধ সমলৰ পৰ্যাপ্ত ব্যৱহাৰৰ প্ৰতি সজাগতা বৃদ্ধি কৰা।
- গাঁৱত থকা দৰিদ্ৰতা নিম্নগামী কৰা।
- অন্যান্য প্ৰতিষ্ঠানৰ উমৈহতীয়া সেৱাৰ সৈতে সংযোগ স্থাপন কৰা।
- উন্নয়নৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে অতিক্ৰম কৰিব নোৱাৰা বাধাসমূহ সমূহীয়াভাৱে অতিক্ৰম কৰা।



**অনুশীলন** ঃ পথৰ ওপৰত থকা এটা শিল ( তাৰ ওপৰত এখনি নাটিকা)

১. তলত উল্লেখ কৰা নাটকখন অভিনয় কৰিবলৈ অংশগ্ৰহণকাৰীসকলৰ মাজৰ পৰা ছয়জনক বাছি ল'ব-

ক. ফোনত কথা পাতি থকা এগৰাকী মহিলা।

খ. এজন শাক-পাচলি বিক্ৰেতা।

গ. এজন মদাহী।

ঘ. এজন চাইকেল আৰোহী।

ঙ. শিলটোৰ অভিনয় কৰোতা এজন।

চ. এজন আঁতধৰোতা

২. গল্পটোৰ বিষয়ে তেওঁলোকক অৱগত কৰক।

৩. চাৰি আলিটোত এটা শিল থাকিব (শিলৰ অভিনয় কৰোতাজন), ক-খ-গ-ঘ চাৰিজন অভিনয় কৰোতাই চাৰি দিশৰ পৰা আহি চাৰি আলিৰ এই শিলটোত খুন্দা মাৰি পৰিব।

৪. আঁতধৰোতা (চ নামৰ অংশগ্ৰহণকাৰী) জন আহি বাকী সকলক পৰাৰ পৰা উঠাত সহায় কৰি দিবহি। তেওঁলোকে কিয় শিলটোত খুন্দাখাই পৰিব লগা হ'ল তাৰ কাৰণটোৰ ওপৰত আলচ কৰিব।

৫. সদস্য কেইজনৰ লগত আঁতধৰোতাজন লগ হৈ বাটত বাধা হৈ থকা ডাঙৰ শিলটো কাষলৈ আঁতৰাব।

**মন কৰিব লগীয়া ঃ** এই অভিনয় সম্পূৰ্ণ মুক অভিনয়।

শিকিব লগা ঃ একতাই বল। ঐক্যই গতি, শক্তি, বিশ্বাস আৰু আস্থা বঢ়ায়।

## ৬. আত্ম-সহায়ক গোটৰ মূল সূত্ৰ বা ধাৰণা (পঞ্চসূত্ৰ)

১. সাপ্তাহিক সভা— আত্ম-সহায়ক গোটে প্ৰতি সপ্তাহতে সভা অনুষ্ঠিত কৰিব।

চ. সাপ্তাহিক জমা— প্ৰতিজন সদস্যই প্ৰতি সপ্তাহতে সঞ্চয় কৰিব।

৩. নিয়মীয়া আভ্যন্তৰীণ ঋণ— গোটৰ সঞ্চিত ধন সদস্যসকলৰ আৱশ্যকতা পূৰাবলৈ নিয়মীয়াকৈ ঋণ হিচাপে প্ৰদান কৰিব।

৪. নিয়মীয়া পৰিশোধ— আত্ম-সহায়ক গোটৰ সদস্যসকলে নিয়মীয়াকৈ ঋণৰ কিস্তি পৰিশোধ কৰিব।

৫. নিয়মীয়াকৈ হিচাপ ৰখা— গোটৰ সকলো হিচাপ, নথি-পত্ৰ আদি নিয়মীকৈ চিজিল কৰি ৰাখিব লাগে।




**সাপ্তাহিক সভা ঃ**

নিয়মীয়াকৈ সভা অনুষ্ঠিত কৰিলে সঘনাই লগ পাই থকাৰ বাবে সদস্যসকলৰ মাজত আন্তৰিকতা বাঢ়ে।

আত্ম-সহায়ক গোটৰ পৰা সদস্যসকলে সঘনাই ঋণ লোৱাৰ সুবিধাও পায়।


এনেদৰে আত্ম-সহায়ক গোটটোও শক্তিশালী হয়।

**সাপ্তাহিক সঞ্চয় ঃ**

সদস্যসকলৰ অলাগতিয়াল খৰচো হ্ৰাস হয়।

সদস্যসকলৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি উঠে।

তাকৰ হ'লেও তাকে সঘনাই সঞ্চয় কৰিব পাৰি।



প্ৰশিক্ষকজনে ফটো দুখনৰ সহায়ত সঘনাই সভা পতাৰ গুৰুত্বৰ বিষয়ে বুজাই দিব।

**নিজৰ মাজত নিয়মীয়াকৈ ঋণৰ আদান-প্ৰদান ঃ**

- প্ৰতিজন সদস্যৰ আৱশ্যকতা পূৰণ কৰিব পাৰে।
- আত্ম-সহায়ক গোটৰ পুঁজিও টনকিয়াল হয়।
- সদস্যসকলে স্থানীয় ঋণদাতাৰ পৰা ঋণ লোৱাৰ অভ্যাসটোও কমি আহে।

**এজন খেতিয়কৰ সাধু ঃ**

এসময়ত এজন খেতিয়ক আছিল। তেখেতৰ তিনিজন পুতেক আছিল। খেতিয়কজনৰ বয়স বাঢ়ি অহাৰ লগে লগে তেখেতে তেখেতৰ সম্পত্তিসমূহ পুতেকহঁতৰ নামত দি দিয়াৰ কথা ভাবিলে। কিন্তু দায়িত্বৰ বোজা পুতেকহঁতৰ কান্ধত দিবলৈ লৈহে তেখেত বিমোৰত পৰিল। দায়িত্ব দিব পৰাকৈ কোনজন পুতেক উপযুক্ত হ'ব সেই উত্তৰ তেখেতে নিজেই বিচাৰিব ধৰিলে। উপযুক্ত পুতেকজন নিৰ্বাচিত কৰাৰ অৰ্থে বৃদ্ধজনে তিনিও পুতেকক একো বস্তাকৈ ধান দিলে। দ্বিতীয় দিনাই তিনিও পুতেকক কাষলৈ মাতি আনি তেখেতে ক'লে যে তেখেতে তীৰ্থ ভ্ৰমণ কৰিবলৈ যাব। ছয় মাহৰ পাছতহে পুনৰ ঘৰলৈ ওলটিব।

কথামতেই কাম। তীৰ্থ ভ্ৰমণ কৰি ছয় মাহৰ পিছত তেখতে ঘৰলৈ ঘূৰি আহিল। তেখেত ওলটি আহিয়েই পুতেকহঁতক সুধিলে—তেখেতে দি যোৱা চাউলৰ বস্তাটো কোনে কি কৰিলে? এজন পুতেকে ক'লে চাউল বস্তা সি খাই পেলালে। আনজনে ক'লে যে দেউতাকে চাউলৰ বস্তাটো যেনেকৈ দিছিল তেনেকৈয়ে এতিয়াও থোৱা আছে। তৃতীয় পুতেকে বাপেকক ক'লে যে সি সেয়া খেতিত লগালে আৰু এবস্তা ধানৰ পৰা সি পাঁচ বস্তা ধান পালে।

এতিয়া প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলক সুধিব— আচলতে কোনজন লোক এতিয়া ঋণ পাবৰ যোগ্য?

নিৰ্দ্ধাৰিতভাবে প্ৰতিজনে তৃতীয় জনৰ কথাই ক'ব।

এতিয়া প্ৰশিক্ষকজনে সকলোৰে লগত আলোচনা কৰিব—সকলোৰে হাতত থকা মুলধনৰ সদ্ব্যৱহাৰ কৰিলে প্ৰতিদিনে তাৰ শ্ৰীবৃদ্ধি হয়।

**নিয়মীয়াকৈ পৰিশোধ কৰা ঃ**

সম হাৰত নিয়মীয়াকৈ ঋণ পৰিশোধ কৰিবলে সহজ হয়।

এজন সদস্যই সময়ত ঋণ পৰিশোধ কৰিলে সেয়া আনজনে গ্ৰহণ কৰিব পাৰে।

ফলত অতিৰিক্তভাবে ভৰিব লগা সুতৰ পৰিমাণো লাঘৱ হয়।

**দুজন বন্ধুৰ সাধু ঃ**

বহুদিনৰ আগৰ কথা। ৰাম আৰু ৰবি নামৰ নলেগলে লগা দুজন বন্ধু আছিল। সম্পত্তিৰ হিচাপত ৰামতকৈ ৰবি কিছু ধনী আছিল। এদিন ৰামৰ টকাৰ নাটনি হোৱাত স্বাভাৱিকভাবেই তেওঁ বন্ধু ৰবিৰ ঘৰলৈ গৈ ঋণ হিচাপে কিছু টকা বিচাৰি বন্ধুৰ ওচৰত হাত পাতিলে। দয়ালু ৰবিয়ে বন্ধু ৰামক আৱশ্যকীয় পাঁচ হাজাৰ টকা গাৰুৰ তলৰ পৰা বন্ধুক নিজে উলিয়াই লৈ যাবলৈ ক'লে। বন্ধুৰে কোৱামতে তেওঁ গাৰুৰ তলৰ পৰা পাঁচ হাজাৰ টকা উলিয়াই লৈ গ'ল। তিনিমাহৰ পিছত বন্ধু ৰামে ৰবিক টকা পাঁচ হাজাৰ কিছু সুতসহ ঘুৰাই দিবলৈ আহিল। কিন্তু তেওঁ সুত ল'বলৈ অস্বীকাৰ কৰিলে। তেওঁ মূলখিনিকে আগৰ দৰে গাৰুৰ তলত থৈ যাবলৈ ক'লে। সেইমতে ৰামে টকাখিনি গাৰুৰ তলত থ'বলৈ শোৱনি কোঠালৈ গ'ল। কিন্তু নিজৰ লোভ সামৰিব নোৱাৰি সমুদায় টকা তাত এটকাও নোথোৱাকৈ তেওঁ লগতে লৈ গুছি গ'ল।

কিছুদিনৰ পিছত ৰামৰ আকৌ টকাৰ নাটনি হ'ল। ৰাম নিশ্চিত আছিল যে ৰবিয়ে এইবাৰো তেওঁক নিৰাশ নকৰে। তেওঁ পুনৰ টকা বিচাৰি সেয়ে ৰবিৰ ওচৰ পালেহি। ৰবিয়ে তেওঁক এইবাৰো নিৰাশ নকৰি গাৰুৰ তলৰ পৰা আগতে নিয়াৰ দৰে টকা নিজে উলিয়াই লৈ যাবলৈ ক'লে। কিন্তু গাৰুৰ তলত হাত দিহে ৰাম নিৰাশ হ'ল কাৰণ গাৰুৰ তলত এটকাও নাছিল। ৰামে ৰবিক গাৰুৰ তলত টকা নথকাৰ কথা কোৱাত তেওঁ ক'লে যে তাত টকা আগৰ বাৰ তুমিয়ে থৈ গৈছিলা। সেই টকা মই চোৱাই নাই—কি হ'ল মই নাজানো। নিৰাশ হৈ ৰবিৰ ঘৰৰ পৰা ৰাম শুদা হাতেৰে ওলটিব লগা হ'ল।

এই সাধুটো কোৱাৰ পাছত প্ৰশিক্ষকে প্ৰশিক্ষাৰ্থীসকলক সাধুটোৰ পৰা সিহঁতে কি শিকিলে সেয়া সুধিব?

**সাধুটোৰ পৰা শিকিব লগা নীতিকথা—**

- কেতিয়াও ঋণ পৰিশোধ নকৰাকৈ থাকিব নালাগে।
- ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত সদায় নিকা হ'ব লাগে।
- আগতে লৈ থোৱা ঋণ সময়ত পৰিশোধ নকৰিলে পৰৱৰ্ত্তী ঋণ বিচৰাত অসুবিধা হয়।

**নিয়মীয়া হিচাপ ৰক্ষণ ঃ**

স্বচ্ছতা আৰু সঠিক হিচাপত থাকে।
হিচাপ পৰীক্ষণত সহায় হয়।
টকা-পইচা জড়িত নোহোৱা নথিও সঠিকভাৱে ৰাখিব লাগে।

**কাণে কাণে ফুচফুচাই খেলা এটা চীনা খেল ঃ**

সকলো সদস্যই ঘূৰণীয়া হৈ এটা বৃত্তৰ দৰে বহি লব। এজনে কাণে কাণে ফুচফুচাই কাষৰজনৰ কাণত কিবা এটা ক'ব। সেইজনেও একেদৰেই আনজনৰ কাণত ক'ব। এনেদৰে কথাষাৰ ইজনে সিজনৰ কাণত কৈ কৈ শেষৰজন পাবগৈ। শেষৰজনেহে কথাষাৰ কি সেই কথা সকলোৰে শুনাকৈ ঘোষণা কৰি দিব। তেতিয়া নিশ্চিতভাৱে কাণে কাণে কথা এষাৰ কওঁতে মুখ বাগৰোতে তাত কিছু ব্যতিক্ৰম থকাতো নিশ্চিত। প্ৰথমজনে কোৱা আৰু শেষৰজনে সকলোৰে শুনাকৈ কোৱাৰ মাজত তাৰতম্য থাকিবই।

মৌখিক ৰূপত নাৰাখি লিখিত ৰূপত এজনে আনজনলৈ বাৰ্ত্তাটো প্ৰেৰণ কৰা হ'লে কেতিয়াও এনে ব্যতিক্ৰম নঘটিলহেঁতেন—সকলোৰে শুদ্ধকৈ পঢ়িলহেঁতেন! শেষৰজনে ঘোষণা কৰা শব্দটো প্ৰথমজনে পঢ়াৰদৰে সদায় অপৰিৱৰ্ত্তিত হৈয়ে থাকিলহেঁতেন !

**শিকনি ঃ** মৌখিক বাৰ্ত্তাতকৈ লিখিত বাৰ্ত্তা সদায় স্বচ্ছ আৰু সঠিক।

**আত্ম-সহায়ক গোটৰ নিয়ম বা চৰ্তাৱলীসমূহ ঃ**

১. একে আৰ্থ-সামাজিক পৰিৱেশৰ, একে ভৌগোলিক এলেকা বা চুবুৰিৰ ১২-১৫ গৰাকী মহিলাৰ দ্বাৰা গঠিত।
২. সকলোৰে সন্মতি সাপেক্ষে আত্ম-সহায়ক গোটটোৰ নাম থ'ব।
৩. প্ৰতিগৰাকী সদস্যৰ সন্মতি সাপেক্ষে দুগৰাকী প্ৰতিনিধি নিৰ্বাচিত কৰিব।
৪. প্ৰতি সপ্তাহত ইয়াৰ সভা অনুষ্ঠিত কৰিব।
৫. আত্ম-সহায়ক গোটটোৱে সভাৰ দিন, স্থান আৰু সময় নিৰ্দ্ধাৰণ কৰিব আৰু প্ৰতি সপ্তাহতে সলনা-সলনিকৈ এই সভা প্ৰতিজন সদস্যৰ ঘৰত অনুষ্ঠিত কৰিব।
৬. সাপ্তাহিক সভাত প্ৰতিজন সদস্য উপস্থিত থাকিব লাগিব।
৭. সভা অনুষ্ঠিত কৰাৰ সময়ত সকলো সদস্য বৃত্তাকাৰে বহিব।
৮. প্ৰতিজন সদস্যৰ সন্মতি সাপেক্ষে সাপ্তাহিক জমা কৰিব লগা ধনৰ পৰিমাণ নিৰ্দ্ধাৰিত হ'ব।
৯. প্ৰতি সপ্তাহত হ'ব লগা সভাৰ বাবে একোজনকৈ আহ্বায়কক নিৰ্বাচিত কৰি ল'ব।
১০. প্ৰতিজন সদস্যৰ সন্মতিত হিচাপ ৰক্ষকজনক নিৰ্বাচিত কৰিব।
১১. আহ্বায়কজনৰ ঘৰত প্ৰতিখন সভা অনুষ্ঠিত হ'ব।
১২. প্ৰতিজন সদস্যই আত্ম-সহায়ক গোট ব্যৱস্থাপনাৰ তিনিদিনীয়া প্ৰশিক্ষণত উপস্থিত থাকিব।
১৩. প্ৰতিজন হিচাপ ৰক্ষকেই ৫ দিনীয়া হিচাপ ৰক্ষণ প্ৰশিক্ষণত উপস্থিত থাকিব।
১৪. প্ৰতিজন সদস্যৰ সন্মতিত সাপ্তাহিক সভাৰ কাৰ্যসূচী চূড়ান্ত কৰা হ'ব।

১৫. সাপ্তাহিক সভা সেই কাৰ্যসূচী অনুসৰি ৰূপায়িত হ'ব।
১৬. প্ৰতি গৰাকী সদস্যই সভাৰ আগতে প্ৰাৰ্থনা কৰি নিজৰ পৰিচয় প্ৰদান কৰিব।
১৭. প্ৰতিজন সদস্যই নিজৰ পৰিচয় দিয়াৰ পাছত আহ্বায়কে প্ৰতিজন সদস্যৰ উপস্থিতি লব।
১৮. সাপ্তাহিক সভাতহে সাপ্তাহিক সঞ্চয়খিনি জমা দিব পাৰিব।
১৯. আৱশ্যকীয় ঋণৰ কথা প্ৰতিজন সদস্যই আলোচনা কৰিব পাৰিব আৰু আৱশ্যকতাসমূহ গুৰুত্বৰ ওপৰত ভিত্তি কৰি অতি আৱশ্যক থকাজনক প্ৰদান কৰা হ'ব।
২০. ঋণৰ আৱশ্যকতা, পৰিমাণ, মুল ধন, সুত আৰু কিস্তিৰ ওপৰত আলোচনা কৰি সেয়া চুড়ান্ত কৰিব।
২১. উপস্থিতিৰ বহী, সভাৰ বিৱৰণী, সঞ্চয়ৰ খাটা-বহী, ঋণৰ বহী, সাধাৰণ হিচাপ, নগদ জমা বহী, ব্যক্তিগত জমা বহী আৰু মাহেকীয়া হিচাপৰ খতিয়ান আত্ম-সহায়ক গোটৰ সভাত উত্থাপন কৰিব লাগিব।
২২. সকলো হিচাপৰ খটিয়ান হিচাপ ৰক্ষকে সভাৰ মজিয়াতে লিপিৱদ্ধ কৰিব।
২৩. সভাৰ সামৰণিত হিচাপ ৰক্ষকে সভাৰ কাৰ্য বিৱৰণী পাঠ কৰি দিব আৰু ইয়াত সকলোৱে স্বাক্ষৰ কৰিব।
২৪. হাতত থকা নগদ জমা ধনখিনি পৰৱৰ্ত্তী সভাৰ আহ্বায়কৰ হাতত জমা থব লাগিব।
২৫. সদস্যসমূহে যুটীয়াভাবে হাতত থাকিব লগা সৰ্বাধিক জমাৰ বিষয়ে সিদ্ধান্ত ল'ব।
২৬. অনুপস্থিত সদস্য, পলমকৈ উপস্থিত হোৱা সদস্য, সঞ্চয় নকৰা সদস্য, সময়ত ঋণ পৰিশোধ নকৰা সদস্যসকলক জৰিমণা বিহিব লাগিব।
২৭. সদস্যসকলে পৰৱৰ্তী সভাৰ আহ্বায়ক আৰু সভাৰ স্থান নিৰ্ণয় কৰিব।
২৮. সকলোবোৰ লিখা-পঢ়া, তথ্য লিপিৱদ্ধ কৰি স্বাক্ষৰ কৰাৰ পিছত সমুদায় হিচাপ-বহী পৰৱৰ্তী সভাৰ আহ্বায়কৰ হাতত অৰ্পণ কৰিব লাগিব।
২৯. আত্ম-সহায়ক গোটটো গঠন হোৱাৰ দুমাহৰ ভিতৰত গোটটোৰ নামত বেঙ্কত এটা একাউন্ট খুলিব লাগিব।

## আত্ম-সহায়ক গোটৰ সভাৰ কাৰ্যসূচী আৰু প্ৰক্ৰিয়া ঃ

### সভাৰ প্ৰক্ৰিয়া-

- গোটৰ প্ৰতিজন সদস্যই সভাৰ সময়ত এট বৃত্তাকাৰে বহিব আৰু সভাৰ আৰম্ভণি প্ৰাৰ্থনাৰে হ'ব।
- প্ৰতিজন সদস্যই নিজৰ পৰিচয়টো দিওঁতে নিজৰ নাম, আত্ম-সহায়ক গোটৰ নাম আৰু গোটটোত থকা তেখেতৰ পদৱীৰ বিষয়েও উল্লেখ কৰিব।
- সভাৰ আহ্বায়কে প্ৰতিজন সদস্যৰ উপস্থিতি লব।
- সভাৰ আৰম্ভণিতে আগৰখন সভাৰ কাৰ্যবিৱৰণী পাঠ কৰি দিব আৰু সভাৰ সামৰণিত এই সভাৰ কাৰ্যবিৱৰণী পাঠ কৰিব।
- সভাতেই সঞ্চয়, ঋণ (মুলধন আৰু সুত) আৰু জৰিমণা সংগ্ৰহ কৰিব।
- এই সভাতেই সদস্যসকলৰ আৱশ্যকতাৰ অগ্ৰাধিকাৰৰ ভিত্তিত ঋণ প্ৰদান কৰিব।
- সামাজিক সমস্যা, সদস্যসকলৰ ব্যক্তিগত সমস্যা, চৰকাৰী আঁচনি আদিৰ বিষয়ে সভাত আলোচিত হ'ব।
- হিচাপ ৰক্ষকজনে সেইবিষয়ৰ নিৰ্দ্ধাৰিত সভাখনৰ কাৰ্য্যবিৱৰণী সদস্যসকলৰ আগত পাঠ কৰি দিব আৰু পৰৱৰ্ত্তী সভাৰ দিন, বাৰ আৰু স্থান নিশ্চিত কৰিব।
- মাহেকীয়া খতিয়ান, প্ৰাপ্তি আৰু আদায় দিয়াৰ সবিশেষ সদস্যসকলৰ আগত পাঠ কৰি দিব।
- কাৰ্য্যবিৱৰণীত সকলো সদস্যৰ স্বাক্ষৰ লোৱাৰ পিছত হিচাপৰক্ষকজনে তথ্যপাতিৰ সকলোবোৰ বহী স্থায়ী সভাপতিজনক হস্তান্তৰ কৰিব আৰু স্থায়ী সভাপতিজনে পৰৱৰ্ত্তী সভাৰ আহ্বায়কজনৰ হাতত সকলোবোৰ হস্তান্তৰ কৰি দিব।



## সভাৰ কাৰ্য্যসূচী

- প্ৰাৰ্থনা
- পৰিচয়
- উপস্থিতি
- যোৱা সপ্তাহৰ সভাৰ কাৰ্যবিৱৰণীৰ ওপৰত পৰ্যালোচনা
- সঞ্চয়
- ঋণ পৰিশোধ (মূলধন আৰু সুত)
- জৰিমণা
- নতুন ঋণ অনুমোদন
- প্ৰাপ্তি আৰু প্ৰদান
- বেঙ্কত হোৱা আদান প্ৰদান
- গাঁওখনৰ বা-বাতৰি
- সদস্যসকলৰ ব্যক্তিগত সমস্যাৰ ওপৰত আলোচনা
- সামাজিক সমস্যাৰ ওপৰত আলোচনা
- চৰকাৰী আঁচনিসমূহৰ ওপৰত আলোচনা
- অন্যান্য সমস্যা ইত্যাদি।

## আত্ম-সহায়ক গোটৰ তথ্য-পাতিৰ বহীসমূহ ঃ

- উপস্থিতিৰ বহী
- কাৰ্য্যবিৱৰণীৰ বহী
- সঞ্চয়ৰ বহী
- ঋণৰ বহী
- সাধাৰণ বহী
- নগদ জমা বহী
- ব্যক্তিগত জমাৰ বহী (পাছবুক)
- মাহেকীয়া অগ্ৰগতিৰ খতিয়ান

# তৃতীয় দিন

| ক্ৰমিক নং | দিন | বিষয় | উপ-শিতান | প্ৰণালীৰদ্ধ পদ্ধতি | সময় |
|---|---|---|---|---|---|
| ১১ | | আগৰ দিনৰ কাৰ্য্যসূচীৰ ওপৰতপুনৰ অৱলোকন | আগ দিনাৰ দৰেই একে অধিৱেশন | বক্তৃতা-আলোচনা | ৩০ মিনিট |
| ১২ | | | আত্ম-সহায়ক গোটৰ নীতি-নিয়মবোৰ কেনেকৈ নিৰ্দ্ধাৰণ কৰিব লাগে? | বক্তৃতা, আলোচনা | ৩০ |
| ১৩ | তৃতীয় | নেতৃত্ব আৰু দলৰ গতিশীলতা | নেতৃত্বৰ ধাৰণা | বক্তৃতা, আলোচনা | ৪০ |
| ১৪ | | | নেতা কোন? | খেল আৰু ছবি | ৩০ |
| ১৫ | | | নেতৃত্বৰ গুৰুত্ব | সচিত্ৰ প্ৰদৰ্শন | ৪০ |
| ১৬ | | | ভাল নেতাৰ বৈশিষ্ট্য | সচিত্ৰ প্ৰদৰ্শন | ৪০ |
| ১৭ | | | নেতৃত্বৰ ঘূৰ্ণীয়মান ৰূপ | সচিত্ৰ প্ৰদৰ্শন | ৩০ |

## আত্ম-সহায়ক গোট পৰিচালনাৰ নীতি-নিয়ম কেনেদৰে নিৰ্দ্ধাৰণ কৰা হয়?

### ১. নেতৃত্বৰ ধাৰণা

এটা ভাল আত্ম-সহায়ক গোটৰ আটাইতকৈ গুৰুত্বপুৰ্ণ অংশ হ'ল- এক ভাল নেতৃত্ব। আত্ম-সহায়ক গোটটোক সু-নেতৃত্বৰে সুচাৰুৰূপে পৰিচালনা কৰিলেহে গোটটো নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পাৰিব। সেয়ে প্ৰতিটো আত্ম-সহায়ক গোটত এজন দক্ষ ভাল নেতা থকাতো বৰ জৰুৰী। দক্ষ নেতাই অকল গোটটোক লক্ষ্যত উপনীত কৰোৱাই নহয়— দলটোৰ সদস্যসকলৰ দক্ষতাৰ লগতে সেইসকলৰ সক্ষমতাও বৃদ্ধি কৰিব পাৰে।

এই নেতৃত্বই হ'ল এটা আত্ম-সহায়ক গোটৰ আটাইতকৈ জৰুৰী অংশ। এজন ভাল নেতাই গোটটোক সঠিক লক্ষ্যত উপনীত কৰোৱাৰ লগতে গোটটোৰ প্ৰতিজন সদস্যকে একত্ৰিত কৰি ৰখাৰ লগতে সংঘৱদ্ধভাবে প্ৰতিজন সদস্যৰ উন্নতিত সহায়ৰ হাত আগবঢ়াব পাৰে। 'নেতৃত্ব' শব্দটোৱে মনলৈ কেইবাটাও প্ৰতিচ্ছবি আনে—

- এজন ৰাজনৈতিক নেতাই ব্যক্তিগত কাৰণত উৎসাহ দেখুৱায়।
- এজন অভিযান কাৰীয়ে হাবি-জংঘলত হাবি কাটি বাট উলিয়াব পাৰে নিজ দলটো সেই বাটেৰে যোৱাৰ স্বাৰ্থত।
- এজন কাৰ্য্যবাহীয়ে প্ৰতিযোগিতাত আনক পৰাভুত কৰিবলৈ নিজৰ কোম্পানীৰ কৌশলসমুহৰ উন্নতি ঘটায়।

কথাযাৰ ঠিক তেনেকৈয়ে আমি যদি চাওঁ— এজন নেতাই আত্ম-সহায়ক গোটটোলৈ একতা, সফলতা, প্ৰেৰণা, সৃষ্টিশীলতাৰ লগতে সুচিন্তিত নেতৃত্বৰে অদমনীয় কৰ্মকুশলতা প্ৰদান কৰি আত্ম-সহায়ক গোটটোক সফলতাৰ শিখৰত আৰোহণ কৰাব পাৰে। সেই ব্যক্তিত্বই সু-নেতাৰ বৈশিষ্ট্য।

## ২. নেতা কোন?

গতিশীল এজন নেতা গঢ় লববলৈ হ'লে সেইজন তলত উল্লেখ কৰা ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগিব—

- দুৰ দৃষ্টিৰে ভৱিষ্যতৰ কথা ভবা।
- সেই দৃষ্টিৰে মানুহক আগুৱাবলৈ অনুপ্ৰাণিত আৰু নিয়োজিত কৰা।
- সেই দুৰ দৃষ্টিক সাকাৰ ৰূপ দিব পৰা।
- সেই লক্ষ্যত উপনীত হ'বলৈ এটা দল গঠন কৰি তাক প্ৰশিক্ষিত কৰি সুদক্ষভাৱে আগুৱাই নিয়া।

## নম্ৰ-নিমাখিত নেতা ঃ

এবাৰ এদল দুৰ্বল আৰু অসুৰক্ষিত জন্তু এঠাইৰ পৰা আন এঠাইলৈ গৈছিল। পৰিভ্ৰমণৰ সময়ত অুসৰক্ষিত সেই দলটোৱে এখন দলং পাৰ হ'ব লগা হৈছিল। দুৰ্ভাগ্যবশতঃ সেই দলঙখনৰ অৱস্থা তাৰ ওপৰেৰে পাৰ হ'ব পৰা অৱস্থাত নাছিল আৰু জন্তুৰ দলটোৱে তাৰ ওপৰেৰে কেনেকৈ পাৰ হ'ব পাৰি সেয়াও সিহঁতৰ অৱগত নাছিল। সেই দলৰ প্ৰতিজন সদস্যই পাৰ্য্যমানে সেয়া অতিক্ৰম কৰাৰ বহুবাৰ চেষ্টা কৰিও বিফল হ'ল। সেয়ে সিহঁতে আলোচনা কৰি তৎকালে বিকল্প হিচাপে এটা সিদ্ধান্ত ল'লে যে সিহঁতে এজন নেতা নিৰ্বাচন কৰি ল'ব যিজনে সিহঁতক নিৰাপদে সিটো পাৰলৈ লৈ যাব আৰু সিহঁতে দলপতিৰ আদেশ পালন কৰিব।

সিহঁতে দলপতি হিচাপে ভেড়াক নিৰ্বাচিত কৰিলে। ভেড়াক নেতা হিচাপে পাই সিহঁতে যথেষ্ট সন্তোষ পালে।

দলপতি নেতা ভেড়া থিয় হৈ সকলোকে ক'লে যে বেলি থাকোতেই যেনেতেনে সেই দলং পাৰ হ'বই লাগিব।

দলপতি সেই ভেড়াটো বৰ অমায়িক আৰু তাৰ ব্যৱহাৰো বৰ ভদ্ৰ আছিল। সি সেই সমস্যাটো বৰ ভাল ধৰণে অনুধাৱন কৰিব পাৰিছিল আৰু সেই দলঙখন পাৰ হোৱাত সেই অসহায় দলটোক নেতৃত্ব দিলে কাৰণ শুদ্ধ সিদ্ধান্ত লৈ আগলৈ চাই আগুৱাই যোৱাৰ সেয়াই উপযুক্ত সময়।

দলপতি ভেড়াটো একেবাৰে শেষত ৰৈ সকলোকে শাৰী পাতিবলৈ ক'লে— ক্ৰমে সৰুৰ পৰা ডাঙৰলৈ। কথামতেই সৰুৰ পৰা ডাঙৰলৈ সকলোৱে শাৰী পাতিলে। তাৰ পাছত সকলোৰে সমুখত নেতা আহি থিয় দিলে আৰু সি কেনেকৈ খোজ দিয়ে তাকে চাই খোজ দি দি সকলোকে আগুৱাবলৈ ক'লে। প্ৰতিটো খোজেই বিপদ্দজনক আৰু প্ৰতিটোখোজেই বৰ সাৱধানেৰে দিব লাগিব। অলপ কিবা হ'লেই ... ...!

অৱশেষত নিৰাপদে সকলোৱে সেই দলঙখন অতিক্ৰম কৰি সিপাৰ পালেগৈ।

## ৩. নেতৃত্বৰ ওপৰত গুৰুত্ব ঃ

আত্ম-সহায়ক গোটটো আকাংখিত লক্ষ্যত উপনীত হোৱাত দলপতিৰ নেতাৰ এক গুৰুত্বপুৰ্ণ ভুমিকা আৰু দায়িত্ব আছে। শক্তিশালীকৈ আত্ম-সহায়ক গোট গঠনৰ বাবে আৱশ্যকীয় কিছুমান উপাদান তলত উল্লেখ কৰা হ'ল ঃ

- দলটোক সদায় একত্ৰিত কৰি ৰখা।
- নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ বাবে গোটৰ সকলো সদস্যক অনুপ্ৰাণিত কৰা।
- প্ৰতিজন সদস্যৰ কাৰ্য্যকুশলতা আৰু সক্ষমতাক স্বীকৃতি দিয়া।
- সদস্যসকলৰ দলীয় গতিশীলতাৰ বিষয়ে বুজ লোৱা।
- দলীয় কাম-কাজক উদ্‌গণি দিয়া।
- নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰাকৈ সকলো কাৰ্য্যসুচী ভালকৈ বিশ্লেষণ কৰি চোৱা।
- সদস্যসকলৰ মাজৰ নতুবা আন আন সমস্যাসমুহ সমাধান কৰাৰ সক্ষমতা অৰ্জন।
- দক্ষতা বৃদ্ধি বা অন্যান্য উন্নয়নমুলক আঁচনিৰ সৈতে দলৰ সদস্যসকলক জড়িত কৰা।
- সদস্যসকলক সিদ্ধান্ত ল'ব পৰাৰ বিভিন্ন প্ৰক্ৰিয়াৰ সৈতে জড়িত কৰি সেয়া আয়ত্ব কৰোৱা।
- প্ৰতিজন সদস্যৰ ব্যক্তিত্বৰ বিষয়ে বুজি উঠা।

**৪. ভাল নেতা এজনৰ থাকিব লগা গুণ ঃ**

নম্রতা, সকলোৰে লগত কথা-বতৰা পতা, আনৰ কথা শুনা, আত্ম বিশ্বাসী, যোগাত্মক চিন্তা কৰা, আনক উৎসাহিত কৰা, আত্মোৎসৰ্গা আৰু দায়বদ্ধতা থকা, ৰসাল আৰু সৃষ্টিশীল মনৰ আৰু তীক্ষ্ণ অন্তৰ্দৃষ্টি সম্পন্ন গুণ।

**এজন ভাল নেতাৰ যোগ্যতা ঃ**

সকলো প্ৰকাৰে লক্ষ্যত উপনীত কৰোৱাটোৱেই এজন নেতাৰ লক্ষ্য হ'ব নোৱাৰে। এজন ভাল নেতা হ'বলৈ হ'লে তলত দিয়া কথাখিনিও মানিব লাগিব-

- দলীয়ভাবে কৰিব লগা ব্যৱহাৰৰ বিষয়ে জ্ঞান থাকিব লাগিব।
- আত্ম-সহায়ক প্ৰক্ৰিয়াৰ ওপৰত প্ৰাথমিক দখল থাকিব লাগিব।
- ব্যক্তিগত অভিমত বুজি পাব পৰাৰ সক্ষমতা থাকিব লাগিব।
- দলীয় লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰাৰ বাবে ইচ্ছা থাকিব লাগিব।
- নিৰ্দ্ধাৰিত বুলি ঠাৱৰ কৰাৰ পিছত তাত উপনীত হোৱাৰ বাবে কাৰ্য্যপন্থা হাতত ল'ব পৰা।
- আৱেগ, উদ্বেগ-উৎকণ্ঠা আৰু কাৰোবাৰ মাজত হ'ব পৰা সংঘাতৰ পৰা আঁতৰত থকা।
- গোটটো আৰু গোটটোৰ প্ৰতিজন সদস্যৰ উন্নয়নৰ হকে দায়বদ্ধতা আৰু সদিচ্ছা থকা।
- ব্যক্তিগতভাবে প্ৰতিজন সদস্যৰে মুল্য আৰু গুৰুত্বক সন্মান জনোৱা।
- দলীয় ব্যৱস্থাৰ সকলোবোৰ ইতিবাচক উপাদানক গুৰুত্ব দিয়া।
- প্ৰতিগৰাকী সদস্যক বিকল্প চিনাক্তকৰণ নতুবা পৰ্য্যবেক্ষণৰ ওপৰত উৎসাহিত কৰা।

**সমুখৰ পৰা নেতৃত্ব দিয়া নেতা ঃ**

এসময়ত সিংহ আৰু কুকুৰে একেলগে সিহঁতৰ শত্ৰুবোৰৰ সঁতে যুঁজিব লগা হৈছিল। যুদ্ধৰ একমাত্ৰ কাৰণ আছিল অৰণ্য ৰাজ্যত হোৱা খাদ্যৰ অনাটন। দুই বন্ধু ফৈদে আন আন জীৱ-জন্তুৰ সৈতে যুঁজি অৰণ্যত নিজৰ খাদ্য আৰু জীৱন সুৰক্ষিত কৰিব বিচাৰিছিল। দিনে দিনে খাদ্য সংকট অধিক জটিল হৈ আহিছিল। মানুহে অৰণ্যত চলোৱা অবাধ অত্যাচাৰৰ বাবেই এই অৱস্থা অধিক শোচনীয় হৈ পৰিছিল। তাৰেই পৰিণতিত অৱশেষত জীৱ-জন্তুৰ মাজত যুদ্ধ আৰম্ভ হৈছিল।

কিন্তু সেই যুঁজত যুঁজিবলৈ সিংহ আৰু কুকুৰৰ ৰাজ্যত নেতাৰ অভাৱ আছিল। কুকুৰৰ ৰজা বৰ স্বাৰ্থপৰ আৰু আত্মকেন্দ্ৰিক আছিল। কুকুৰৰ ৰজাই বিচাৰিছিল নিজে ৰজাৰ আসনত বহি সেই যুঁজত সৈনিকসকলক পিছফালৰ পৰা নেতৃত্ব দিব। সিংহ আৰু কুকুৰ দুয়ো ফৈদৰ মাজত থকা বন্ধুত্ব বহু পুৰণি আছিল। সেয়ে সিংহ অধিক বলী হ'লেও সেই সিদ্ধান্তত অলপো আপত্তি নকৰিলে কাৰণ সেয়া যুদ্ধৰ সময়। কুকুৰৰ ৰজাই সৈন্য-সামন্তক যুদ্ধ ক্ষেত্ৰত জপিয়াই পৰিবলৈ আদেশ দিলে। কুকুৰ আৰু সিংহই মহা বিক্ৰমেৰে যুঁজিলে যদিও দুৰ্ভাগ্যবশতঃ শত্ৰু পক্ষৰ হাতত ধৰাশায়ী হ'ব লগা হ'ল। সিংহই কুকুৰৰ ৰজাৰ আদেশত শত্ৰুৰসৈতে যুঁজি হাৰিব লগা হোৱাত বৰ লাজ পালে। যুঁজত বহুত মৰিল আৰু বহুত চিৰকালৰ বাবে বৰ বেয়াকৈ ঘুণীয়া হ'ল।

পৰাজিত হোৱাত তাতেই যুঁজ শেষ হ'ল যদিও খাদ্য সংকট ক্ৰমে দিনে দিনে বেছিহে হ'ল। অৰণ্যৰ প্ৰতিটো জীৱ-জন্তুৱে নিজকে অসুৰক্ষিত বুলি অনুভৱ কৰিবলৈ ধৰিলে। শত্ৰুপক্ষই সেয়ে অৰণ্যত পুনৰ যুদ্ধ ঘোষণা কৰিলে। এইবাৰ কিন্তু সিংহ নিমাতে নাথাকিল। সকলোৰে মাজত নতুন নেতাৰ বিষয়ে আলোচনা চলিল। কুকুৰৰ ৰজায়ো এইবাৰ অনুভৱ কৰিলে যুঁজত জিকিবই লাগিব। সেয়ে সিংহৰ ৰজাই নেতাৰ বলিষ্ঠ দায়িত্ব লৈ সৈনিকসকলক সমুখৰ পৰা নেতৃত্ব দিলে। সিংহক সমুখত মহা বিক্ৰমেৰে যুঁজা দেখিও কুকুৰবোৰেও সাহস পালে আৰু যুঁজত জপিয়াই পৰিল। অৱশেষত সিংহ আৰু কুকুৰৰ ৰাজকীয় দলে যুঁজত জয়লাভ কৰি সুৰক্ষিত ভৱিষ্যতৰ বাবে অৰণ্যৰ অংশ নিজৰ দখলত ল'লে।


**গল্পটোৰ পৰা লাভ কৰা শিকনি ঃ**

কুকুৰৰ ৰজাৰ দৰে স্বাৰ্থপৰ নেতাই দলক নেতৃত্ব দিলে সংকট মোচন হোৱাতো দূৰৰে কথা সমস্যা অধিক বাঢ়িবহে। তাৰ বিপৰীতে সিংহৰ দৰে নেতাই সাহসেৰে নেতৃত্ব দিলে সকলোৱে সাহসেৰে যুজিবলৈ সক্ষম হ'ব আৰু সদস্যসকলৰ মাজত থকা সমস্যাও সমাধান হ'ব।

## নেতৃত্বৰ প্ৰকাৰ ঃ

### নেতৃত্বৰ ওপৰত অনুশীলন
**অনুশীলন ঃ ১**

আৱশ্যকীয় আহিলাঃ পেলাই দিব পৰা পানীৰ গিলাছ, পানী, চেনি, বোকা মাটি আৰু শিল



বোকা পানী চেনি থকা পানী শিল থকা পানী

১. তিনিটা খালী গিলাছ লৈ তাত পানী ঢালক। আমি যদি ধৰি লওঁ —
পানীখিনিক সমাজ, শিল আৰু বোকা আৰু চেনিখিনিক নেতাবুলি, তেতিয়াহ'লে—

- প্ৰথমতে এগিলাছ পানী লওক আৰু তাত কেইটামান শিলগুটি পেলাই দিয়ক। প্ৰশিক্ষাৰ্থীসকলক গিলাছটো দেখুৱাই তেওঁলোকক সোধক তাত তেওঁলোকে কি দেখিবলৈ পাইছে? আকৌ সোধক পানীৰ লগত শিলগুটি কেইটা মিলি গৈছে নেকি?
- দ্বিতীয়তে আকৌ এটা গিলাছত পানী লৈ তাত বোকাখিনি মিলাই দি প্ৰশিক্ষাৰ্থীসকলক গিলাছটো আগতে দেখুৱাৰ দৰে দেখুৱাই বোকাখিনি পানীৰ লগত মিলি গৈছে নেকি সোধক। প্ৰশিৰ্থীসকলে পানীৰ লগত বোকাখিনি মিলি গৈছে বুলি যদি কয় তেতিয়াহ'লে তাৰ ৰং কেনেকুৱা বুলি সোধক।
- এতিয়া তৃতীয় গিলাছটোৰ পানীত চেনি মিলাই দিয়ক। গিলাছটোত এতিয়া তেওঁলোকে কি দেখিছে সেয়া সোধক। মিশ্ৰণটো কেনেকুৱা লাগিছে সেয়াও সোধক। আপুনি পানীৰ সোৱাদটো এতিয়া কেনেকুৱা লাগিব সেয়াও শুধিব পাৰে।

—– উত্তৰটো নিশ্চয় সোৱাদ বুলিয়ে আহিব।

## সামৰণি ঃ

ওপৰৰ অনুশীলনটোৰ পৰা এইটো খাটাং হ'ল যে নেতৃত্ব হ'ল পানীৰ লগত মিলি থকা শিল, বোকা আৰু চেনিৰ দৰে।

- শিল আৰু পানীৰ মিশ্ৰণত একো পাৰ্থক্য নাথাকে কাৰণ শিল আৰু পানী একেলগে থাকিলেও আচল অৰ্থত তাৰ সংমিশ্ৰণ অসম্ভৱ। তেনেধৰণৰ নেতায়ো সমাজ বা সমকক্ষ মানুহৰ লগত মিলিব নোৱাৰে।
- বোকা আৰু পানীৰ সংমিশ্ৰণ হৈছে যদিও সেই সংমিশ্ৰণে পৰিষ্কাৰপানীখিনি ঘোলা কৰি পেলায়। তেনেধৰণৰ নেতায়ো সদস্যসকলক বিপথে নিব পাৰে।
- আনহাতে চেনি পানীৰ সংমিশ্ৰণটো হ'ল এক আদৰ্শ ভাল নেতাৰ উদাহৰণ। এনেধৰণৰ ভাল নেতাই সদস্যসকলৰ মাজত একতা বজাই ৰাখি দলটোক সুশংখলিতভাৱে আগুৱাই নিব পাৰে।

## ৫. ঘূৰ্ণীয়মানভাবে নেতৃত্বৰ পৰিৱৰ্ত্তন ঃ

নেতা বা নেতৃত্ব কেৱল এজন বা এটা দলৰ হাতত থকা উচিত নহয়। এটা সুষ্ঠ-সবল আত্ম-সহায়ক গোট হ'বলৈ হ'লে দলটোক নেতৃত্ব দিয়া নেতা সলনি হ'বই লাগিব। আত্ম-সহায়ক গোটটোৰ সদস্যসকলৰ মাজত এনেদৰে নেতা সলনা-সলনি কৰি থাকিলে দলটোৰ মাজৰ সকলোৰে নেতৃত্ব দিয়াৰ সুবিধা লাভ কৰে। নেতা সাল-সলনিৰ এই প্ৰক্ৰিয়াটোকে ঘূৰ্ণীয়মানভাবে নেতৃত্বৰ পৰিৱৰ্ত্তন বুলি কোৱা হয়। এনে কৰিলে দলটোৰ মাজত আন এজনেও নেতা হৈ দলটোক আগুৱাই নিয়াৰ বাবে এখন মঞ্চ লাভ কৰাৰ লগতে আন আন সদস্যসকলৰো সক্ষমতা আৰু কলা-কুশলতা বৃদ্ধি পায়।

***ঘূৰ্ণীয়মানভাবে নেতৃত্ব পৰিৱৰ্ত্তন কৰাৰ সময়ত তলত উল্লেখ কৰা কথাকেইটা মনত ৰাখিব লাগেঃ***

- বছৰত এবাৰ নেতা সলাব লাগে।
- নেতাজনৰ আন এজনকো নেতা হোৱাৰ সুবিধা দিয়াৰ সদিচ্ছা বা মানসিকতা থাকিব লাগে।
- দৰিদ্ৰ পটভুমিৰ পৰা অহাজনক অগ্ৰাধিকাৰ দিব লাগে।
- নেতা সলনি হোৱাৰ আগতে বিদায়ী নেতাজনে আগৰ সকলো নথি-পত্ৰ, সামগ্ৰী, পুঁজি আদি সদস্যসকলৰ উপস্থিতিত চমজাই দিব লাগে।
- বিদায়ী নেতাজনে নেতা সাল-সলনিৰ এই প্ৰক্ৰিয়াক সন্মান জনাব লাগে।
- সু-শৃংখলিতভাবে নেতা সাল-সলনি পৰ্ব সমাপন হ'ব লাগে।
- নেতাৰ সাল-সলনি নিৰ্দ্ধাৰিত আনুষ্ঠানিক প্ৰক্ৰিয়া অনুসৰি হ'ব লাগে।



তিনি গৰাকী সদস্য (সভাপতি, সম্পাদিকা, হিচাপ ৰক্ষক)ই আত্ম-সহায়ক গোটটোক নেতৃত্ব দিছে। সেই তিনি গৰাকীয়েই গোটটোক সুকলমে উন্নতিৰ পথত আগুৱাই নিয়াৰ দায়িত্ব নিজৰ কান্ধত কান্ধ পাতি লৈছে।



নিৰ্দিষ্ট কিছুদিনৰ পিছত তেওঁলোকে সেই দায়িত্ব লৈ ভাগৰি পৰিল। তাৰ পৰা তেখেতসকলে অব্যাহতি ল'লে। তাৰ ফলাফল হিচাপে আত্ম-সহায়ক গোটটো ভাগি থাকিল।

**শিকনি ঃ** আত্ম-সহায়ক গোটটো সদায়ে গতিশীল আৰু সু শৃংখলিতভাবে চলি থাকিবলৈ হ'লে নেতা সাল-সলনি কৰি থকাতো বৰ জৰুৰী।